## গণিত

### ছাত্ৰ-ছাত্ৰীয়ে -

- দুটা অংকবিশিষ্ট সংখ্যাৰ লগত কাৰ্য কৰিব।
  — ৯৯ লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব।
  — স্থানীয় মান ব্যৱহাৰ কৰি দুটা অংকবিশিষ্ট সংখ্যা লিখিব আৰু তুলনা কৰিব পাৰিব।
  — আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু দুটা অংক বিশিষ্ট সংখ্যা গঠন কৰিব পাৰিব (সংখ্যাবোৰৰ পুনৰাবৃত্তি কৰি বা পুনৰাবৃত্তি নকৰাকৈ)।
  —দুটা অংকবিশিষ্ট সংখ্যাৰ যোগৰ সহায়ত দৈনন্দিন জীৱনত উদ্ভৱ হোৱা সমস্যা সমাধান কৰিব পাৰিব।
  —দুটা অংকবিশিষ্ট সংখ্যাৰ বিয়োগৰ জৰিয়তে দৈনন্দিন জীৱনত উদ্ভৱ হোৱা সমস্যা সমাধান কৰিব পাৰিব।
  —তিনি বা চাৰিখন একে বা ভিন্ন মূল্যৰ নোট আৰু মুদ্ৰাৰ পুতলা টকা ব্যৱহাৰ কৰি ১০০ টকালৈকে হিচাপ কৰিব পাৰিব।
- ত্ৰি-মাত্ৰিক (3-D) আৰু (2-D) দ্বিমাত্ৰিক আকৃতি বিলাক পৰ্যৱেক্ষণ কৰি বৰ্ণনা কৰিব পাৰিব।
  —প্ৰাথমিক ত্ৰিমাত্ৰিক আকৃতিবোৰ নামেৰে সৈতে চিনাক্ত কৰিব পাৰিব। যেনে— আয়তীয় ঘনক, চিলিণ্ডাৰ, শংকু, গোলক ইত্যাদি।
  — সৰল ৰেখা আৰু বক্ৰ ৰেখাৰ পাৰ্থক্য জানিব পাৰিব।
  —উলম্বভাৱে, অনুভূমিকভাৱে আৰু হেলনীয়া (Slant)কৈ সৰল ৰেখা আঁকিব আৰু উপস্থাপন কৰিব পাৰিব।
- সুযম অনিৰ্দ্ধাৰিত একক যেনে পেঞ্চিল/মাৰি/কাপ/চামুচ/বাল্টি আদিৰ সহায়ত দৈৰ্ঘ, দূৰত্ব আৰু ধাৰণ ক্ষমতা অনুমান কৰিব পাৰিব আৰু জুখিব পাৰিব।
- সাধাৰণ তুলাচনী ব্যৱহাৰ কৰি পাতল আৰু গধুৰ বস্তুৰ তুলনা কৰিব পাৰিব।
  সপ্তাহত থকা দিনৰ সংখ্যা, বছৰত থকা মাহৰ সংখ্যা জানিব পাৰিব।
- ঘটনা/সময় ক্ৰমত সজাব পাৰিব। যেনে— শিশু এটা ঘৰতকৈ বিদ্যালয়ত অধিক সময় থাকে নেকি?
- তথ্য সংগ্ৰহ কৰি ব্যাখ্যা কৰিব পাৰিব।
- সংগৃহীত তথ্যৰ ওপৰত ব্যাখ্যা কৰিব পাৰিব। যেনে— এঞ্জেলিনাৰ ঘৰত ব্যৱহাৰ হোৱা বাহনৰ সংখ্যাতকৈ সমীৰৰ ঘৰত ব্যৱহাৰ হোৱা বাহনৰ সংখ্যা বেছি।



# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## দ্বিতীয় শ্ৰেণী



সত্যমেৱ জয়তে
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ
এন চী ই আৰ টী
NCERT
শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো, সকলোৱে আগবাঢ়ো

# অসমীয়া

## ছাত্র-ছাত্রীয়ে—

- বিভিন্ন উদ্দেশ্যেৰে নিজৰ ঘৰুৱা ভাষা অথবা বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰি কথোপকথন কৰিব, যেনে— জানিবলৈ প্ৰশ্ন সুধিব, নিজৰ অনুভৱ ব্যক্ত কৰিব আৰু মন্তব্য দিব পাৰিব।
- কোৱা কথা, কাহিনী,পদ্য/কবিতা আদি মন দি শুনি নিজৰ কথাৰে ক'ব আৰু শুনিব পাৰিব।
- শিকন কোণত স্তৰ অনুসৰি থকা বিভিন্ন প্ৰকাৰৰ, আকৰ্ষণীয় সামগ্ৰী,যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা, দৃশ্য-শ্ৰাব্য সামগ্ৰী চাব আৰু শিকনত ব্যৱহাৰ কৰিব পাৰিব।
- শব্দ আৰু ধ্বনিৰ লগত খেল খেলি আনন্দেৰে লয় আৰু ছন্দ মিলাই শব্দ গঠন কৰিব পাৰিব।
- সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে কল্পনাৰে কাহিনী, কবিতা আদি ক'ব আৰু শুনাব পাৰিব।
- ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু শুনি,পৰ্যৱেক্ষণ কৰি, বুজি নিজাভাৱে ক'ব আৰু সেইবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।
- পৰিচিত আৰু অপৰিচিত লিখিত সামগ্ৰীৰ প্ৰতি আগ্ৰহ দেখুৱাব, অৰ্থ জানিবলৈ বিচাৰিব আৰু নিজা যুক্তি দিব পাৰিব।
- বিদ্যালয়ৰ ভিতৰে-বাহিৰে শিকন কোণ/পুথি ভঁৰালত থকা নিজৰ পছন্দৰ কিতাপ পঢ়িব পাৰিব।
- স্বইচ্ছাৰে বা শিক্ষকে দিয়া নিৰ্দেশনা অনুসৰি চিত্ৰ, আখৰৰ আকৃতি অনুকৰণ কৰিব পাৰিব।
- শুনা আৰু নিজৰ মনৰ কথা নিজাভাৱে বিভিন্ন ধৰণৰ চিত্ৰ/শব্দ/বাক্যৰ দ্বাৰা ব্যক্ত কৰিব পাৰিব।
- যুক্তাক্ষৰ পঢ়ি ভাঙিব, গঠন কৰিব আৰু যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব পাৰিব।
- উপযুক্ত শব্দ ব্যৱহাৰ কৰি বাক্য ৰচনা লিখিব পাৰিব।
- বিভিন্ন লিখনিত পোৱা নতুন নতুন শব্দবোৰ বুজি সেইবোৰৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান চাব পাৰিব।
- জাতীয় সাহিত্য-সংস্কৃতি, ঐতিহ্য-পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়িব আৰু এইবোৰৰ বিষয়ে জানিবলৈ অধিক আগ্ৰহী হ'ব ।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী আৰু তেওঁলোকৰ কৰ্মৰাজি সম্পৰ্কে শুনিব, পঢ়িব আৰু বুজিব পাৰিব।
- শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাব আৰু অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনিব পাৰিব।
- স্বাস্থ্যনীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কীয় লিখনিবোৰ পঢ়িব, বুজিব আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।

# ENGLISH

## The learner –

- sings songs or rhymes with action
- responds to comprehension questions related to stories and poems, in home language or English or sign language, orally and in writing (phrases/short sentences)
- identifies characters and sequence of events in a story
- expresses verbally her or his opinion and asks questions about the characters, storyline, etc. in English or home language
- draws or writes a few words or short sentences in response to poems and stories
- listens to English words, greetings, polite forms of expression, and responds in English/home language like 'How are you?', 'I'm fine, thank you.' etc.
- uses simple adjectives related to size, shape, colour, weight, texture such as 'big', 'small', 'round', 'pink', 'red', 'heavy', 'light', 'soft' , etc.
- listens to short texts from children's section of newspapers, read out by the teacher
- listens to instructions and draws a picture
- uses pronouns related to gender like 'his/her', 'he/she', 'it' and other pronouns like 'this/that', 'here/there', these/those', etc.
- uses prepositions like 'before', 'between', etc.
- composes and writes simple, short sentences with space between words

